জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩১৪/২০২১

# গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ছয়লেনযুক্ত দলঙৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে

**দিছপুৰ, ৭ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি মহানগৰীৰ সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ ওচৰত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীক সংযোগ কৰি ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্মিয়মাণ ছয়লেনযুক্ত দলঙৰ নিৰ্মাণকাৰ্যৰ যুটীয়া পৰিদৰ্শন কৰাৰ লগতে ইয়াৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

নিউ ডেভেলপমেণ্ট বেংকৰ অৰ্থ সাহাৰ্যৰে নিৰ্মাণ কাৰ্য চলি থকা এই ৮.৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন উত্তৰ-পূৰ্বাঞ্চলত এনেধৰণৰ প্ৰথম দলং হ'ব আৰু ২৬০৮ কোটি টকাৰ প্ৰকল্প ব্যয়ৰে ৰাজ্যিক লোক নিৰ্মাণ (পথ) বিভাগে এই প্ৰকল্প ৰূপায়ণ কৰি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯ চনৰ ৯ ফেব্ৰুৱাৰীত আধাৰশিলা স্থাপন কৰা এই দলং ২০২৩ চনৰ আগষ্ট মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

সম্পূৰ্ণ হোৱাৰ পিছত এই 'আইকনিক' দলংখনে মহানগৰীৰ যান-জঁটৰ সমস্যা যথেষ্ট লাঘৱ কৰাৰ লগতে চহৰখন ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ সম্প্ৰসাৰিত কৰাত সহায় কৰিব। তদুপৰি এই দলংখনে জনসাধাৰণৰ সুৰক্ষিত আৰু মসৃণ আহ-যাহৰ পথ প্ৰশস্ত কৰিব। দলংখনে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত যাতায়াতৰ সময়ো যথেষ্ট হ্ৰাস কৰিব।

মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ দ্বাৰা আজিৰ এই দলং নিৰ্মাণ ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত লোক নিৰ্মাণ (পথ) বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব ৰাজেশ কেম্প্ৰাই আৰু লোক নিৰ্মাণ বিভাগ (বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প)ৰ মুখ্য অভিযন্তা পৱন তেৰাঙে দলংখনৰ নিৰ্মাণ আৰু অগ্ৰগতিৰ সম্পৰ্কে তেওঁলোকক বিতংভাৱে অৱগত কৰে।

এই পৰিদৰ্শনৰ সময়ত অসম চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগো উপস্থিত থাকে।

**বীঃগঃ / প্ৰঃকুঃবঃ**
**০৭-১০-২০২১**